# অনাময়ৰ ওপৰত আধাৰিত চলচিত্ৰ ‘অজানিতে মনে মনে’ৰ শুভ মহুৰত কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ এপ্ৰিল ঃ** ‘পৰিস্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কত জনসচেতনতা সৃষ্টিৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অনাময় ব্যৱস্থাটো অধিক শক্তিশালী কৰি দেশৰ ভিতৰতে অসমক পৰিস্কাৰ-পৰিচ্ছন্ন ৰাজ্য হিচাপে গঢ় দিব লাগিলে আমি সকলোৰে এই ক্ষেত্ৰত ‘টীম অসম’ হিচাপে কাম কৰিব লাগিব। চলচিত্ৰ হ’ল এক শক্তিশালী মাধ্যম। এই শক্তিশালী মাধ্যমৰ জৰিয়তে জনসচেতনতা সৃষ্টিৰ বাবে চলচিত্ৰ নিৰ্মাণতো ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ‘অজানিতে মনে মনে’ চলচিত্ৰখনৰ জৰিয়তে অসমৰ জনসাধাৰণে পৰিস্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কত নতুন বাৰ্তা লাভ কৰিবলৈ সক্ষম হ’ব।’ আজি জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ’ত স্বচ্ছ ভাৰত গ্ৰামীণ মিছনৰ সহযোগত ৰত্না প্ৰডাকশ্যনে নিৰ্মাণ কৰিব লগীয়া কৰা ‘অজানিতে মনে মনে’ নামৰ অসমীয়া পূৰ্ণ দীৰ্ঘ চলচিত্ৰৰ শুভ মহুৰত কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ২০১৬-১৭ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে ৮.৫০ লাখ শৌচাগাৰ নিৰ্মাণৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছিল। যোৱা বিত্তীয় বৰ্ষত এই লক্ষ্য অতিক্ৰমী ১০.৫০ লাখ শৌচাগাৰ নিৰ্মাণ কৰিবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ইয়াৰ বিপৰীতে ২০১৫-১৬ বিত্তীয় বৰ্ষত মাত্ৰ ৪.৫০ লাখ শৌচাগাৰ নিৰ্মাণ কৰা হৈছিল। অসমৰ জনসাধাৰণৰ আন্তৰিক সহযোগিতাৰ বাবেহে এই লক্ষ্য অতিক্ৰম কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰে পৰিস্কাৰ সমাজ নিৰ্মাণ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাপুজীৰ স্বপ্নৰ ৰাম-ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ হ’লে আমি পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব। মানৱতা, পৰিস্কাৰ-পৰিচ্ছন্নতা থাকিলে বাপুজীৰ ৰাম ৰাজ্য প্ৰতিষ্ঠা সম্ভৱ হ’ব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বাপুজীৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে ১২০ কোটি ভাৰত বাসীৰ বাবে স্বচ্ছ ভাৰত অভিযানৰ কাৰ্যসূচী হাতত লৈছে। বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ আমাৰ ৰাষ্ট্ৰখনক আদৰ্শ ৰাষ্ট্ৰ হিচাপে গঢ় দিব লাগিলে পৰিস্কাৰ-পৰিচ্ছন্নতাক সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব, তেতিয়াহে ভাৰতবৰ্ষ বিশ্বৰ গুৰু হিচাপে পৰিগণিত হ’ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শংকৰদেৱ, মাধবদেৱে স্বচ্ছতাৰ কথা আমাক শিকাইছে। সুশাসন প্ৰতিষ্ঠা কৰিবলৈ হ'লে ভাল চিন্তা, ভাল কাম আৰু সুপৰিৱেশৰ সূচনা কৰিব লাগিব। আমি পৰিস্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কত শক্তিশালী চেতনা গঢ় দিব লাগিব। চলচিত্ৰখনৰ জৰিয়তে এই সন্দৰ্ভত সামাজিক সচেতনতা অধিক বৃদ্ধি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰী, বিধায়ক সত্যব্ৰত কলিতা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকা, মুখ্য সচিব বিনোদ কুমাৰ পিপাৰচেনিয়া প্ৰমুখ্যে উচ্চপদস্থ বিষয়া, অসমীয়া চলচিত্ৰ জগতৰ বিশিষ্ট শিল্পীসকল উপস্থিত আছিল।

. পুঃডেঃ / বঃভাঃ
২৮/৪/২০১৭